# ফিলীপিয়া বিলাকৰ প্ৰতি পত্ৰ

**১** ১যীচু খ্ৰীষ্টৰ দাস পৌল আৰু তীমথিয়ৰ পৰা শুভেচ্ছা জনালো।

ফিলিপীত খ্ৰীষ্ট যীচুত থকা ঈশ্বৰৰ সকলো পবিত্ৰলোক, লগতে তোমালোকৰ জ্যেষ্ঠ আৰু বিশেষ দাস সকলৰ সমীপলৈ।

২আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ পৰা তোমালোকলৈ অনুগ্ৰহ আৰু শান্তি হওক।

### পৌলৰ প্ৰাৰ্থনা

৩যিমানবাৰ মই তোমালোকক সোঁৱৰণ কৰো, সিমান বাৰ ঈশ্বৰক ধন্যবাদ কৰোঁ। ৪আৰু মই সদায় তোমালোক সকলোৰে কাৰণে আনন্দেৰে প্ৰাৰ্থনা কৰো। ৫ঈশ্বৰৰ শুভবাৰ্ত্তা লোক সমূহক কোৱাৰ সময়ত তোমালোকে মোক যি সহায় কৰিলা, তাৰ বাবে ঈশ্বৰক ধন্যবাদ কৰো। প্ৰথম বিশ্বাস কৰা দিনৰে পৰা তোমালোকে এতিয়ালৈকে মোক সহায় কৰি আছা। ৬মই নিশ্চিত যে যি সৎকৰ্ম্ম ঈশ্বৰে তোমালোকত আৰম্ভ কৰিলে, যীচু খ্ৰীষ্টৰ পুনৰ আগমনৰ সময়লৈকে তাক সিদ্ধ কৰিব।

৭মই জানো তোমালোকৰ সকলোৰে বিষয়ে এই ভাৱ ৰখা উচিত, কাৰণ তোমালোক মোৰ হৃদয়ৰ মাজত আছা। কিয়নো এতিয়া মই বন্দীশালত থকা সময়চোৱাত তোমালোক সকলোৱেই শুভবাৰ্ত্তাৰ পক্ষে উত্তৰ দিয়াত আৰু প্ৰমাণ দিয়াত এক গুৰুত্বপুৰ্ণ ভূমিকা পালন কৰিছা। ৮ঈশ্বৰে জানে যে মই তোমালোকক চাবলৈ বৰ হেপাহ কৰি আছো। খ্ৰীষ্ট যীচুৰ প্ৰেমেৰে, মই তোমালোক সকলোকে প্ৰেম কৰো।

৯তোমালোকৰ বাবে মোৰ প্ৰাৰ্থনা এই যে:

তোমালোকৰ প্ৰেম যেন সকলো বিবেচনা আৰু জ্ঞানত অধিক অধিককৈ নিৰন্তৰে বৃদ্ধি পায়। ১০যেন তোমালোকে কি প্ৰয়োজনীয় আৰু কি অপ্ৰয়োজনীয় তাৰ প্ৰাৰ্থক্য বিচাৰি পোৱা আৰু যি প্ৰয়োজনীয় তাক যেন মনোনীত কৰিবা, যেন তোমালোক খ্ৰীষ্টৰ আগমনৰ নিমিত্তে শুচি আৰু নিৰ্দ্দোষী হৈ থাকিবা। ১১যেন যীচু খ্ৰীষ্টৰ দ্বাৰাই তোমালোকৰ জীৱন যেন অনেক সৎ কৰ্ম্মেৰে পৰিপূৰ্ণ হব, আৰু ঈশ্বৰৰ গৌৰৱ ও প্ৰশংসা হব।

### পৌলৰ জীৱনলৈ অহা তাড়না প্ৰভুৰ কাৰ্য্যত সহায়ক হে হৈছে

১২হে প্ৰিয় সকল, তোমালোকে এই কথা জনাতো মই বিচাৰো যে মোলৈ যি যি ঘটিল সেই সকলোৰে যোগেদি শুভবাৰ্ত্তা বিস্তাৰ হোৱাত সহায়হে হৈছে। ১৩সকলো ৰোমীয়া প্ৰহৰীবিলাকে আৰু ইয়াত থকা আন সকলোৱে জানে যে মই খ্ৰীষ্টৰ পৰিচৰ্যা কৰাৰ নিমিত্তেই বন্দীশালত থাকিব লগীয়াত পৰিছো। ১৪মোৰ বন্ধন দেখি অধিক ভাগ বিশ্বাসীয়েই প্ৰভুত ভাৰসা ৰাখিছে আৰু ঈশ্বৰৰ বাক্য নিৰ্ভয়ভাৱে কবলৈ অধিক সাহ কৰিছে।

১৫কোনো কোনোৱে খ্ৰীষ্টৰবাৰ্ত্তা ঈৰ্ষা আৰু তিতাৱে পৰিপূৰ্ণ হৈ কৈ ফুৰিছে। আন কোনোৱে সদ্ভাৱ ৰাখি এনেদৰে ঘোষণা কৰিছে। ১৬তেওঁলোকে প্ৰেমৰ কাৰণে এনে কৰিছে। তেওঁলোকে জানে যে ঈশ্বৰে মোক শুভবাৰ্ত্তাৰ সপক্ষে কবলৈ এই দায়িত্ব দিলে। ১৭কিন্তু আন যিবিলাকে খ্ৰীষ্টৰ বিষয়ে কয়, তেওঁবিলাকে নিজৰ অভিলাষ পূৰ কৰিবলৈহে কয়, তেওঁলোকৰ উদ্দেশ্যটো শুদ্ধ নহয়। তেওঁলোকে এইদৰে, মোৰ বন্দী অৱস্থা অধিক ক্লেশযুক্ত কৰিবৰ আশয়েৰেহে কৰে। ১৮তাতেই বা কি হল? গুৰুত্বপূৰ্ণ কথাটো হল তেওঁলোকে খ্ৰীষ্টক ঘোষণা কৰিছে, সেয়া সত্যেৰেই হওক বা কপটতাৰেই হওক। ইয়াতে মই আনন্দহে কৰিছো, আৰু মই আনন্দ কৰিয়েই থাকিম।

১৯কিয়নো মই জানো যে তোমালোকৰ প্ৰাৰ্থনা আৰু যীচু খ্ৰীষ্টে দিয়া পবিত্ৰ আত্মাৰ সহায়ত এই ক্লেশৰ পৰা মুক্ত মই হম। ২০মই সম্পূৰ্ণ আশাবাদী আৰু নিশ্চিত। মই নিশ্চিত যে আগেয়ে যেনেকৈ সদায়, তেনেকৈ এতিয়াও সেই একেদৰেই মুক্তভাৱে কবলৈ সাহ পাম। খ্ৰীষ্টৰ নামৰ অধিক সমাদৰ হবৰ কাৰণে মই মৰো বা জীও মোৰ জীৱন ঈশ্বৰৰ হাতত এৰি দিম। ২১কিয়নো জীৱনৰ অৰ্থ হৈছে খ্ৰীষ্ট। আৰু মৃত্যুৰ অৰ্থ হৈছে এক উপলব্ধি। ২২মই যদি এই পৃথিৱীত জীয়াই থাকো, মই প্ৰভুৰ কাৰণে কাম কৰিবলৈ সমৰ্থ হম। কিন্তু মই কোনটো মনোনীত কৰিম তাক নাজানো। ২৩দুয়োটাৰ মাজত সিদ্ধান্ত লোৱাটো এটা টান কাম। মই মোৰ এই জীৱনৰ পৰা বিদায় লৈ খ্ৰীষ্টৰ ওচৰলৈ যাব বিচাৰো, কিয়নো সেয়ে অতি উত্তম। ২৪সি যি নহওক, মই এই পৃথিৱীত জীয়াই থকাতো তোমালোকৰ প্ৰয়োজন আছে। ২৫মই এই বিষয়ে নিশ্চিত, সেই নিমিত্তে মই জানো যে মই ইয়াতে থাকিম আৰু তোমালোকৰ বৃদ্ধিত সহায় কৰিবলৈ আৰু তোমালোকৰ বিশ্বাসত আনন্দ লভিবলৈ তোমালোকৰ সৈতে থাকিম। ২৬তাতে মই যেতিয়া তোমালোকৰ তাত আকৌ উপস্থিত হম, তেতিয়া মোত গৌৰৱৰ কাৰণ খ্ৰীষ্ট যীচুত তোমালোক উপচি পৰিবা।

২৭কিন্তু সকলো প্ৰকাৰে তোমালোকৰ আচৰণ খ্ৰীষ্টৰ অনুকুল হওঁক। মই তোমালোকক চাবলৈ যাও বা তোমালোকৰ পৰা আঁতৰত থাকো মই তোমালোকৰ বিষয়ে শুনিবলৈ বিচাৰো যাতে তোমালোক এক আত্মাৰে স্থিৰে আছা আৰু শুভবাৰ্ত্তা সম্বন্ধীয় বিশ্বাসৰ পক্ষে একতাৰে

প্ৰানপণ কৰি আছা ২৮তোমালোকে বিৰুদ্ধীবিলাকৰ কাৰণে
কোনো বিষয়ত ত্ৰাসযুক্ত নহবা। ঈশ্বৰৰ পৰা অহা এই
সকলোবোৰে এইটোকে প্ৰমাণ কৰে যে তোমালোক
পৰিত্ৰাণ প্ৰাপ্ত হৈছা আৰু তোমালোকৰ শত্ৰু বিলাক
বিনষ্ট হব। ২৯খ্ৰীষ্টৰ পৰিচৰ্যাৰ অৰ্থেই ঈশ্বৰে তোমালোকক
আশীৰ্ব্বাদ কৰিছে। খ্ৰীষ্টত বিশ্বাস কৰিবলৈ তোমালোকক
অনুগ্ৰহ দান কৰিলে। কিন্তু কেৱল সিমানেই নহয় খ্ৰীষ্টৰ
কাৰণে দুখ-ভোগ কৰিবলৈকো তোমালোকক বিশেষ
অধিকাৰ দিলে। ৩০তোমালোকে জানা যে সেই যুদ্ধত
তোমালোকো সংযুক্ত আছা য'ত ময়ো সংযুক্ত আছিলো
আৰু এতিয়াও সেই ৰূপ যুদ্ধ কৰা দেখি আছো।

### ঐক্যবদ্ধ হোৱা আৰু আনৰ বিষয়ে চিন্তা কৰা

২ ১এতেকে যদি খ্ৰীষ্টত কোনো আশ্বাস, প্ৰেমৰ
পৰা পোৱা কোনো শান্তনা, যদি আত্মাৰ কোনো
সহভাগিতা, স্নেহ আৰু সহানুভুতিৰ কোনো ভাৱ থাকে
২তেন্তে তোমালোকে মোৰ আনন্দ পূৰ্ণ কৰা। মই ইচ্ছা
কৰো, তোমালোকৰ এক ভাৱ হওক, পৰস্পৰ মাজত একে
প্ৰেম ৰাখা, আত্মাত এক হোৱা আৰু একে লক্ষ্য হওঁক।
৩তোমালোকে যি যি কৰা, স্বাৰ্থপৰতাৰে বা দৰ্পেৰে একো
নকৰিবা। নম্ৰ হোৱা, আৰু নিজতকৈ আন ব্যক্তিক অধিক
উত্তম বুলি ভাবিবা। ৪তোমালোকে কেৱল নিজৰ বিষয়ে
নাভাবিবা, অন্যৰ জীৱনৰ কাৰণেও চিন্তা কৰা।

### নি:স্বাৰ্থ হবলৈ খ্ৰীষ্টৰ পৰা শিক্ষা আহৰণ কৰা

৫ঐক্যবদ্ধহৈ জীৱন নিবাস কৰোতে, খ্ৰীষ্ট যীচুৱে যিদৰে
চিন্তা কৰিছিল, তোলালোকেও সেইদৰে চিন্তা কৰা।
৬সকলো প্ৰকাৰে তেওঁ ঈশ্বৰ ৰূপী আছিল, কিন্তু তেওঁ
নিজকে ঈশ্বৰৰ সৈতে সমান বুলি গণ্য নকৰিলে, আৰু
নিজৰ লাভৰ বাবে ব্যৱহাৰ কৰিব লাগে বুলি নেভাবিলে।
৭ইয়াৰ পৰিবৰ্ত্তে, তেওঁ সকলোকে ত্যাগ কৰিলে, আনকি
ঈশ্বৰে সৈতে তেওঁৰ যি স্থান, তাকো এৰিলে। তেওঁ মানুহৰ
ৰূপ ধৰি নিজকে প্ৰকাশ কৰিলে, আৰু এজন দাসৰ ভূমিকা
গ্ৰহন কৰিলে। মানুহ ৰূপী হৈ থাকোতে, ৮তেওঁ নিজকে,
সম্পূৰ্ণৰূপে ঈশ্বৰৰ আজ্ঞাধীন হৈ থাকি, অতি নম্ৰ কৰিলে,
আনকি যদিও সেইটোৱে তেওঁলৈ মৃত্যুও আনিলে, আনকি
ক্ৰুচীয় মৃত্যুও আনিলে। ৯এই কাৰণে ঈশ্বৰে তেওঁক
উঠালে আৰু অতি ওখ পদ দিলে, আৰু সকলো নামতকৈ
সেই শ্ৰেষ্ঠ নাম তেওঁক দান কৰিলে। ১০প্ৰত্যেক ব্যক্তিয়েই
যেন আঁঠুলৈ যীচুৰ নামৰ সমাদৰ কৰে, তাৰ বাবেই ঈশ্বৰে
এনেদৰে কৰিলে। স্বৰ্গত, পৃথিবীৰ ওপৰত, আৰু পৃথিবীৰ
তলত থকা প্ৰত্যেকেই যীচুৰ আগত আঁঠু লব। ১১তেওঁলোক
সকলোৱেই স্বীকাৰ কৰিব, যে "যীচু খ্ৰীষ্টেই প্ৰভু হয়, আৰু
এইটোৱে পিতৃ ঈশ্বৰৰ গৌৰৱ কঢ়িয়াই আনিব।"

### ঈশ্বৰৰ মনৰ লোক হোৱা

১২মোৰ প্ৰিয় বন্ধুসকল, তোমালোকক যিদৰে শিক্ষা দিয়া
হৈছিল, সেইদৰে সেই সকলোকে পালন কৰিছিলা। মই
তোমালোকৰ লগত থাকোতে যিদৰে সকলো শিক্ষা মানি
চলিছিলা, এতিয়া মই তাত অনুপস্থিত হৈ থকা সময়তো,
সেই বাক্য মানি চলাতো আৰু অধিক প্ৰয়োজনীয়।
সেইবাবে তোমালোকে এনেদৰে জীৱন নিবাস কৰিব
লাগিব যেন তোমালোক যে পৰিত্ৰাণ প্ৰাপ্ত লোক, তাক
সকলোৱে জানিব পাৰে। আৰু এইটো ঈশ্বৰলৈ ভয় আৰু
কম্পনেৰে, আৰু সমাদৰ ৰাখি কৰিবা। ১৩হয়, ঈশ্বৰেহে
তোমালোকৰ অন্তৰত কাৰ্য্যসাধন কৰিছে। তেওঁক সন্তুষ্ট
দিয়া কাৰ্য্য কৰিবলৈ তেওঁ তোমালোকক, সহায় কৰে,
আৰু এইটো কৰিবলৈ তেওঁ শক্তিও দিয়ে। ১৪অভিযোগ
বা প্ৰতি অভিযোগ নকৰাকৈ আৰু বাদানুবাদ নকৰাকৈ
সকলো কৰ্ম্ম কৰা। ১৫তেতিয়া তোমালোক নিস্কলঙ্ক আৰু
শুচি, আৰু ঈশ্বৰৰ নিৰ্দ্দোষী সন্তান ৰূপে পৰিগণিত হবা।
তোমালোক কুটিল আৰু বিপথগামী লোকৰ মাজত বাস
কৰিছা, তেওঁবিলাকে শুদ্ধ কি আৰু বেয়া কি, তাৰ বিবেচনা
কৰা শক্তি হেৰুৱাই পেলালে। এখন অন্ধকাৰময় জগতত,
এনেলোকৰ মাজত, তোমালোক পোহৰৰ দৰে জিলিকি
আছা। ১৬আৰু তোমালোকে, তেওঁলোকক জীৱনদায়ক
শিক্ষা দিয়া খ্ৰীষ্টৰ পুনৰাগমনত সেয়ে তোমোলোকৰ বাবে
মোৰ শ্লাঘাৰ কাৰণ হব। কাৰণ মই বৃথা পৰিশ্ৰম কৰা নাই,
আৰু বৃথা দৌৰ মৰা নাই।
১৭তোমালোকৰ বিশ্বাসেই তোমালোকক, ঈশ্বৰৰ সেৱাৰ
কাৰ্য্যত, জীৱন উৎসৰ্গা কৰিবলৈ শক্তি দিছে। তোমালোকৰ
এই বিশ্বাসৰূপ যজ্ঞত, হয়তো ময়ো মোৰ জীৱন উৎসৰ্গা
কৰিম। যদি সেয়ে হয়, মই আনন্দিত হম, আৰু তোমালোকৰ
সৈতেও মই আনন্দ কৰিম। ১৮একেদৰে তোমালোকেও
আনন্দ কৰা আৰু মোৰ সৈতেও আনন্দ কৰা।

### তীমথিয় আৰু ইপাফ্ৰাদিতৰ বিষয়ে বাতৰি

১৯প্ৰভু যীচুৰ আশীৰ্ব্বাদত, মই আশাকৰো, তীমথিয়ক
তোমালোকৰ ওচৰলৈ সোনকালেই পঠাবলৈ সমৰ্থ
হম। তোমালোক কেনে আছা তাক জানিবলৈ পালে
মই আনন্দিত হম। ২০তীমথিয়ৰ দৰে মোৰ আন কোনো
নাই, যি জনে তোমালোকৰ কাৰণে আন্তৰিকতাৰে চিন্তা
কৰে। ২১আনবিলাকে কেৱল নিজৰ জীৱনৰ বাবেহে চিন্তা
কৰে। তেওঁবিলাকে খ্ৰীষ্টৰ কাৰ্য্যৰ নিমিত্তে চিন্তা নকৰে।
২২তীমথিয় কেনে লোক, তাক তোমালোকে জানা। পিতৃৰ
লগত পুত্ৰই কৰাৰ দৰে, তেওঁ শুভবাৰ্ত্তা ঘোষণা কৰা কাৰ্য্যত
মোৰে সৈতে পৰিচৰ্যা কৰিছে। ২৩মোলৈ কি ঘটিব এই কথা
জনাৰ পাছতেই তেওঁক তোমালোকৰ ওচৰলৈ সোনকালে
পঠিয়াবলৈ চিন্তা কৰিছো। ২৪মই নিশ্চিত যে প্ৰভুৱে মোক
তোমালোকৰ ওচৰলৈ সোনকালেই অহাত সহায় কৰিব।
২৫বৰ্ত্তমান, মই ভাবো, মই ইপাফ্ৰাদিতক তোমালোকৰ
ওচৰলৈ নিশ্চয়কৈ পঠাব লাগিব। ঈশ্বৰৰ পৰিয়ালত তেওঁ
মোৰ ভাই। তেওঁ মোৰে সৈতে প্ৰভুৰ সৈন্যবাহিনীত
সহকৰ্ম্মী। মোৰ যেতিয়া প্ৰয়োজন হৈছিল, তোমালোকে

তেওঁক মোৰ ওচৰলৈ পঠালা। ২৬কিন্তু এতিয়া তেওঁ
তোমালোক আটাইকে পুনৰ চাবলৈ বৰ হেপাহ কৰিছে।
তেওঁ চিন্তাত, কিয়নো তোমালোকে শুনিবলৈ পাইছিলা
যে তেওঁ নৰিয়াত পৰিছিল। ২৭তেওঁ নৰিয়াত পৰিছিল, আৰু
তেওঁ মৃতপ্ৰায় হৈছিল। কিন্তু ঈশ্বৰে তেওঁক আৰু মোকো
সহায় কৰিলে, যাতে মোলৈ যেন আৰু অধিক দুখ নিদিয়ে।
২৮সেইবাবে মই তেওঁক তোমালোকৰ ওচৰলৈ পঠাবলৈ
বৰ ইচ্ছা কৰিলো। তোমালোকে যেতিয়া তেওঁক দেখিবা,
তোমালোক সুখী হব পাৰিবা। আৰু মই তোমালোকৰ
নিমিত্তে চিন্তিত নহম। ২৯এতেকে সম্পূৰ্ণ আনন্দেৰে
তোমালোকে প্ৰভুত তেওঁক গ্ৰহন কৰিবা। ইপাফ্ৰাদীতৰ
দৰে ব্যক্তিক সমাদৰ কৰিবা। ৩০তেওঁক আদৰণীয় বুলি
গ্ৰহন কৰিবা কিয়নো তেওঁ খ্ৰীষ্টৰ কাৰ্য্যৰ নিমিত্তে মৃতপ্ৰায়
হৈছিল। তেওঁ মোক সহায় কৰিবৰ নিমিত্তে, নিজৰ জীৱন
বিপদাপন্ন কৰিছিল। এইটো এইটো এনে এটা সহায় আছিল,
যিটো তোমালোকে মোক দিব নোৱাৰিলা।

### আন সকলোতকৈ খ্ৰীষ্টই অধিক গুৰুত্বপূৰ্ণ

৩ ১আৰু এতিয়া মোৰ প্ৰিয় ভাই সকল, প্ৰভুত
আনন্দেৰে পৰিপূৰ্ণ হোৱা। তোমালোকলৈ একে
কথাকে পুনৰ লিখিবলৈ মোৰ কাৰণে কষ্টকৰ নহয়।
মই নিশ্চিত হব বিচাৰো যে তোমালোক প্ৰস্তুত। ২সেই
কুকুৰহঁতলৈ সাৱধান হবা, সেইবিলাক মানুহ যিবিলাকৰ
কৰ্ম্মই কেৱল অনিষ্ট সাধন কৰে। তেওঁবিলাকে চুন্নত
নোহোৱা প্ৰতিজনকেই চুন্নত কৰিব বিচাৰে। ৩কিন্তু আমিহে
প্ৰকৃত চুন্নত হোৱা লোক, আমি, যিবিলাকে তেওঁৰ আত্মাৰে,
ঈশ্বৰৰ আৰাধনা কৰো। আমি নিজৰ ওপৰত ভাৰসা নকৰো
বা আমাৰ কৰ্ম্মৰ ওপৰতো নকৰো। আমি একমাত্ৰ খ্ৰীষ্ট যীচুত
হে গৌৰৱ কৰো। ৪আনকি যদিও, মই নিজৰ ওপৰত ভাৰসা
ৰাখিবলৈ সমৰ্থ, তথাপিও মই নকৰিম। যদি কোনোবাই
ভাবে যে তেওঁবিলাকৰ নিজত ভাৰসা ৰাখিবলৈ যুক্তি আছে,
তেন্তে তেওঁলোকে জনা উচিত যে মই নিজৰ ওপৰত
ভাৰসা ৰখাৰ অধিক যুক্তি আছে। ৫মোৰ জন্মৰ পাছত
অষ্টম দিনত মই চুন্নত হোৱা। মই ইস্ৰায়েলী লোকৰ আৰু
বিন্যামীন ফৈদৰ। মই এজন প্ৰকৃত যিহুদী, আৰু সেইদৰে
মোৰ পিতৃ সকলো। বিধান মোৰ বাবে বৰ গুৰুত্বপূৰ্ণ আছিল।
সেইবাবেই মই এজন ফৰীচী হলো। ৬মই মোৰ ধৰ্ম্ম ৰক্ষা
কৰিবলৈ ইমানেই আগ্ৰহী আছিলো যে ঈশ্বৰৰ মণ্ডলীক
মই তাড়ণা কৰিছিলো। মই মোচিৰ বিধান যিদৰে মানি
চলিছিলো, তাত কোনেও খুঁত পোৱা নাছিল। ৭এটা সময়ত
এই সকলো কথা মোৰ বাবে বৰ গুৰুত্বপূৰ্ণ আছিল। কিন্তু
খ্ৰীষ্টৰ নিমিত্তে, মই সেই সকলোবোৰ মূল্যহীন বুলি বিবেচনা
কৰিলো। ৮কিন্তু এতিয়া মোৰ এই ভাৱ যে মোৰ প্ৰভু খ্ৰীষ্ট
যীচুক জনাৰ যি মহানতা, তাৰ তুলনাত সকলো বস্তুৱেই
মূল্যহীন, কিয়নো, খ্ৰীষ্টৰ কাৰণে মই এই সকলোবোৰ বস্তু
হেৰুৱালো, আৰু এতিয়া মই জানো যে ইবিলাক সকলো
মূল্যহীন পেলনীয়া বস্তুহে। এতিয়া মোক কেৱল খ্ৰীষ্টকহে
লাগে। ৯মই তেওঁৰ হব বিচাৰো। খ্ৰীষ্টত মই ঈশ্বৰৰ দৃষ্টিত
ধাৰ্ম্মিক, কিন্তু মোৰ যি ধাৰ্ম্মিকতা, সেয়ে বিধান মানি চলাৰ
দ্বাৰাই নহয়। এই ধাৰ্ম্মিকতা, বিশ্বাসৰ জড়িয়তে ঈশ্বৰৰ পৰা
পোৱা ধাৰ্ম্মিকতা। ঈশ্বৰে মোক খ্ৰীষ্টত বিশ্বাস কৰাৰ দ্বাৰাই
এই ধাৰ্ম্মিকতা দিছে। ১০মই কেৱল খ্ৰীষ্টক আৰু যি শক্তিৰে
তেওঁক মৃতবিলাকৰ মাজৰ পৰা তুলিলে, সেই শক্তিকহে
জানিবলৈ বিচাৰো। মই তেওঁৰ দুখ-ভোগৰ সমভাগী হব
বিচাৰো আৰু আনকি তেওঁৰ মৃত্যুত, তেওঁৰ নিচিনা হব
বিচাৰো। ১১এনে হলে, মই আশা কৰিব পাৰো যে মই
নিজেও কিবা প্ৰকাৰে মৃত্যুৰ পৰা তোলা হম।

### লক্ষ্যত উপনীত হবলৈ প্ৰাণপণ কৰা

১২মই এইটো বুজাব খোজা নাই যে মই এতিয়াই, ঈশ্বৰে
মোক যি হোৱাতো বিচাৰে ঠিক সেয়াই হলো। মই এতিয়াও
সেই লক্ষ্যত উপনীত হোৱাগৈ নাই। কিন্তু মই তাত
উপনীত হবলৈ আৰু তাক নিজৰ কৰি লবলৈ একেৰাহে
চেষ্টা কৰি আছো। খ্ৰীষ্ট যীচুৱে মোক তাকে কৰাতোকে
বিচাৰে। এইটো কাৰণতেই তেওঁ মোক মাতিলে। ১৩প্ৰিয়
ভাই সকল, মই জানো যে মোৰ এতিয়াও বহু দূৰ বাট
যাব লগীয়া আছে। কিন্তু মই এটা কাম কৰো: পাছত থকা
সকলোকে পাহৰি, মই যিমান পাৰো সিমান, মোৰ আগত
থকা লক্ষ্যত উপনীত হবলৈ, অপ্ৰাণ চেষ্টা কৰো। ১৪মই
শেষ ৰেখাৰ অভিমুখে মোৰ বঁটা পাবলৈ যত্নেৰে দৌৰি
আছো, কিয়নো ঈশ্বৰে খ্ৰীষ্ট যীচুৰ দ্বাৰাই ওপৰত থকা স্বৰ্গীয়
জীৱনৰ বাবেই মোক আহ্বান কৰিলে।
১৫আমি যিমান বিলাকে আত্মিক ভাৱে পৰিপক্ক হৈছো,
আমিও আটাইয়ে, এনেদৰে চিন্তা কৰা উচিত। আৰু যদি
কোনো বিষয়ত তোমালোকৰ আন ৰূপ ভাৱ থাকে, তেন্তে
ঈশ্বৰে তাকো তোমালোকলৈ প্ৰকাশ কৰিব। ১৬কিন্তু আমি
ইতিমধ্যে যি পালো, সেই সত্যটোৰ অনুগামী হৈয়েই থাকিম।
১৭হে প্ৰিয় ভাই ও ভণী সকল, তোমালোক সকলোৱে
ঐক্যবদ্ধহৈ মোৰ অনুকাৰী হোৱা। আৰু আমি তোমালোকক
দেখুৱা পথেৰে যিবিলাকে চলিছে, তেওঁলোকলৈ চাই শিক্ষা
লোৱা। ১৮অনেকে খ্ৰীষ্টৰ ক্ৰুচৰ শত্ৰুৰূপে জীৱন নিবাস
কৰিছে।
তেওঁবিলাকৰ বিষয়ে মই তোমালোকক বাৰে বাৰে
কলো। এতিয়াও তেওঁবিলাকৰ বিষয়ে কান্দিহে কৈছো।
১৯তেওঁবিলাকে যিদৰে চলিছে তাৰ শেষ গতি সৰ্ব্বনাশ।
নিজৰ মনোবাঞ্চাৰে তেওঁলোকে ঈশ্বৰক সলনি কৰিলে।
তেওঁলোকে লজ্জাজনক কৰ্ম্ম কৰে। আৰু তেওঁবিলাকে
নিজ নিজ লজ্জাজনক কৰ্ম্মত গৌৰৱ কৰে। তেওঁবিলাকে
পৃথিবীৰ কথাহে চিন্তা কৰে। ২০আমাক যি দেশ সেই দেশ
স্বৰ্গত আছে। তাৰে পৰাই আহিব বুলি আমাৰ ত্ৰানকৰ্ত্তা
অৰ্থাৎ প্ৰভু যীচু খ্ৰীষ্টলৈ আমি অপেক্ষা কৰি আছোঁ।
২১তেঁৱেই আমাৰ এই নীহ অৱস্থাৰ শীৰীৰক ৰূপান্তৰ কৰিব,
আৰু তেওঁৰ প্ৰতাপৰ শীৰৰ সমৰূপ কৰিব। খ্ৰীষ্টে যি শক্তিৰে
সকলোকে নিয়ন্ত্ৰন কৰে, সেই শক্তিৰেই এই কাৰ্য্য কৰিব।

### কিছু কৰিব লগীয়া বিষয়

৪ ১হে মোৰ প্ৰিয় ভাই তোমালোক মোৰ কিৰীটিস্বৰূপ।
তোমালোক মোৰ জীৱনলৈ আনন্দ আৰু যাৰ বাবে
মই তোমালোকৰ অৰ্থে গৌৰৱ অনুভৱ কৰোঁ। মই কোৱাৰ
দৰে তোমালোকে প্ৰভুক অনুকৰণ কৰি যোৱা।
২ইবদিয়া আৰু চুস্তুখীক, তোমালোক দুয়ো প্ৰভুৰ হয়,
গতিকে বিনয় কৰো তোমোক যেন ইজনে সিজনত এক
মত হোৱা। ৩এই কাৰণে মোৰে সৈতে বিশ্বাসেৰে পৰিচৰ্যা
কৰা এগৰাকী বন্ধুলৈ বিশেষ অনুৰোধ কৰি কৈছো: এই
মহিলা কেইগৰাকীক সহায় কৰা। কিয়নো ক্লীমেন্ত আৰু
মোৰ লগত পৰিচৰ্যা আগবঢ়োৱা আন সকলৰ লগত
শুভবাৰ্তা ঘোষণা কৰা কাৰ্য্যত এওঁলোকে কঠোৰ পৰিশ্ৰম
কৰিছে।জীৱন পুস্তকত তেওঁবিলাকৰ নাম লিখা হৈছে।
৪প্ৰভুত সদায় আনন্দৰে পৰিপূৰ্ণ হৈ থাকা। মই ইয়াক
পুনৰায় কওঁ। আনন্দেৰে পৰিপূৰ্ণ হৈ থাকা।
৫সকলোৰে আগত তোমালোকৰ শান্ত আৰু মৰমিয়াল
স্বাভাৱ দৃষ্টি গোচৰ হওঁক। প্ৰভু সোনকালে আহি আছে।
৬একোলৈ চিন্তা নকৰিবা, কিন্তু তোমালোকৰ প্ৰয়োজনীয়
সকলো বিষয়ৰ বাবে ঈশ্বৰৰ আগত প্ৰাৰ্থনা আৰু যাচনা কৰা,
আৰু তোমালোকৰ যি আছে তাৰ বাবে সকলো সময়ত
ধন্যবাদ কৰা। ৭আৰু যিহেতু তোমালোক খ্ৰীষ্ট যীচুৰ হোৱা,
ঈশ্বৰৰ শান্তিয়ে সকলো সময়তে তোমালোকৰ হৃদয় আৰু
মতিক পহৰা দিব। তেওঁৰ শান্তিয়ে ইয়াক আমাৰ সকলো
বুদ্ধিতকৈ উত্তম ভাৱে কৰিব পাৰিব।
৮হে ভাই বিলাক, যি উত্তম আৰু প্ৰশংসনীয় তাৰ বিষয়ে
চিন্তা কৰা। যি যি সত্য আৰু আদৰণীয় আৰু যি যি ন্যায়
আৰু যি যি শুদ্ধ আৰু যি যি সুন্দৰ আৰু যি যি সন্মানীয় তাৰ
বিষয়ে আলোচনা কৰা। ৯আৰু মোৰ পৰা যি শিকিলা আৰু
লাভ কৰিলা তাক কৰা, মই যি তোমালোকক কলো আৰু
মোত যি তোমালোকে দেখিলা সেই আচৰণ কৰা। তাতে
শান্তি দিওঁতা যি ঈশ্বৰ তেওঁ তোমালোকৰ লগত থাকিব।

### ফিলিপীয়াৰ বিশ্বাসীলৈ পৌলৰ ধন্যবাদ

১০মই অতিকৈ সুখী, আৰু তোমালোকে মোৰ প্ৰতি
পুনৰায় দেখুৱা অতিথি সেৱাৰ বাবে ঈশ্বৰক ধন্যবাদ
দিওঁ। তোমালোকে মোৰ বাবে চিন্তা কৰি আহিছা, কিন্তু
ইয়াক প্ৰকাশ কৰিবৰ তোমালোকৰ কোনো সুযোগ পোৱা
নাছিলা। ১১মই এই কথা তোমালোকক কওঁ, কিন্তু মোৰ
কিবা প্ৰয়োজন আছে সেই বাবে নহয়। মোৰ যি আছে
আৰু যি কোনো অৱস্থাতে নাথাকোঁ, মই তাতে সন্তুষ্ট হৈ
থাকিবলৈ শিকিলোঁ। ১২মই অভাৱৰ সময়ত কেনেকৈ থাকিব
লাগে তাক জানো লগতে উপচয়ৰ সময়ত কেনেকৈ থাকিব
লাগে তাকো মই জানো। সকলো পৰিস্থিতিতে কেনেকৈ
থাকিব লাগে সেই সম্বন্ধীয় নিগূঢ় তত্ব মই শিকিলো, যেতিয়া
মোৰ আহাৰৰ উপচয় হয় বা ক্ষুধিত সময়তো মই তৃপ্ত হৈ
থাকিবলৈ শিকিলো। ১৩খ্ৰীষ্টই হৈছে সেই জন, যি জনাত
থাকি মই সকলো বিষয়ত বলৱান হৈছো।
১৪কিন্তু মোৰ প্ৰয়োজনত তোমালোকৰ মোৰ সহভাগী
হৈ বৰ ভাল কৰিলা। ১৫ফিলিপীয়াত নিবাস কৰা লোক
সমূহ তোমালোকৰ তাত যেতিয়া প্ৰথমে শুভবাৰ্তা
ঘোষণা কৰিছিলো তাক তোমালোকে জানা। যেতিয়া মই
মকিদনিয়াৰ পৰা প্ৰস্থান কৰিছিলোঁ, তেতিয়া তোমালোকৰ
মণ্ডলীয়েহে কেৱল মোক সহায় কৰিছিল। ১৬মই
থিচলনীয়াত থকাৰ সময়ত বহুবাৰ মোৰ প্ৰয়োজনীয় সমূহ
মোলৈ পঠাইছিলা। ১৭নিশ্চিত ভাৱে, মই তোমালোকৰ
পৰা কোনো উপহাৰ আশা কৰিছো এনে নহয়। কিন্তু দান
দিয়াৰ দ্বাৰাই তোমালোকে যেন লাভজনক ফল দেখিবলৈ
পোৱা এনে আশা মই কৰোঁ। ১৮মোৰ প্ৰয়োজনীয় সকলো
খিনি মোৰ আছে। এনেকি প্ৰয়োজনতকৈ অধিক মোৰ
আছে। মোৰ প্ৰয়োজনীয় সকলোখিনি মোৰ আছে কিয়নো
ইপাফ্ৰাদিতৰ দ্বাৰাই তোমালোকৰ পৰা মই উপহাৰ
পাইছো। তোমালোকৰ উপহাৰ সমূহ ঈশ্বৰৰ উদ্দেশ্যে
আগবঢ়োৱা সুগন্ধময় বলি স্বৰূপ। ঈশ্বৰে সেই বলি গ্ৰহণ
কৰিলে আৰু তাত সন্তোষ্ট হৈছে। ১৯আৰু মোৰ ঈশ্বৰে
তোমালোকৰ সকলো অভাৱ, প্ৰতাপেৰে নিজ ধন অনুসাৰে
খ্ৰীষ্ট যীচুত পূৰ্ণ কৰিব। ২০এতিয়া আমাৰ পিতৃ ঈশ্বৰৰ মহিমা
সদা-সৰ্ব্বদায় হওক। আমেন।
২১খ্ৰীষ্ট যীচুত থকা প্ৰতিজন পবিত্ৰ লোকক আমাৰ
মঙ্গলবাদ দিবা। ঈশ্বৰৰ পবিত্ৰ লোক সকললৈ মোৰ লগৰ
ভাইবিলাকে মঙ্গলবাদ কৰিছে। ২২আৰু সকলো পবিত্ৰ
লোক বিশেষকৈ ৰজাৰ পৰিচৰ্যা কৰা বিলাকে তোমালোকক
মঙ্গলবাদ কৰিছে।
২৩প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ তোমালোকৰ আত্মাৰ লগত
থাকক।